**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
**Headlines**

১। প্ৰাধনমন্ত্ৰী নৰেন্দ্ৰ মোদী ইটালীৰ এদিনীয়া ভ্ৰমণ সামৰি আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। সামাজিক মাধ্যমৰ এটা প'ষ্টত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ইটালী ভ্ৰমণক ফলদায়ক হিচাপে বৰ্ণনা কৰিছে।

২। অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন ২৪ জুনৰ পৰা অনুষ্ঠিত হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সংসদৰ কামকাজ সুচাৰুৰূপে চলোৱাৰ বাবে সকলোৰে সৈতে একেলগে কাম কৰিবলৈ চৰকাৰ আগ্ৰহী বুলি প্ৰকাশ কৰিছে।

৩। অষ্টাদশ মুম্বাই আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজিৰে পৰা অনুষ্ঠিত হ'ব। মহানগৰখনৰ পেড্ডাৰ ৰোডত থকা ফিল্ম ডিভিজনৰ চৌহদত বিয়লি ৪ বজাত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

৪। ভাৰতৰত এন শ্ৰীৰাম বালাজী আৰু জাৰ্মানীৰ আন্দ্ৰে বেগেমেনৰ যুটীয়ে ইটালীৰ পেৰুগিয়াত চলি থকা এটিপি চেলেঞ্জাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

***আৰু***

৫। ভাৰত আজি ফ্লৰিডাত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ০০০০০০০

০০০০০০০

প্ৰাধনমন্ত্ৰী নৰেন্দ্ৰ মোদী ইটালীৰ এদিনীয়া ভ্ৰমণ সামৰি আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। সামাজিক মাধ্যমৰ এটা প'ষ্টত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ইটালী ভ্ৰমণক ফলদায়ক হিচাপে বৰ্ণনা কৰিছে। শ্ৰী মোদীয়ে বিভিন্ন বিষয়কলৈ বিশ্ব নেতাসকলৰ সৈতে হোৱা আলোচনাত আলোকপাত কৰে। তেওঁ লগতে বিশ্ব সম্প্ৰদায়ক উপকৃত কৰিব পৰা কেতবোৰ সিদ্ধান্ত আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন সুন্দৰ পৃথিৱী তৈয়াৰ কৰাৰ বাবে গ্ৰহণ কৰা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও উল্লেখ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ সৈতে বিভিন্ন গোলকীয় বিষয়ত ফলপ্ৰসু আলোচনাত সহায় কৰা বুলি প্ৰকাশ কৰিছে। লগতে এই সন্মিলনত অংশগ্ৰহণ কৰা দেশসমূহৰ সৈতে ভাৰতৰ অংশীদাৰিত্ব বৃদ্ধিতো এই ভ্ৰমণে ভূমিকা লোৱা বুলি মন্ত্ৰ্যালয়ে জনাইছে।

ইটালী ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনি, ব্ৰিটেইনৰ প্ৰধানন্ত্ৰী ঋষি চুনাক, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কিসহ সাতগৰাকী বিশ্বনেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

০০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন ২৪ জুনৰ পৰা অনুষ্ঠিত হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সংসদৰ কামকাজ সুচাৰুৰূপে চলোৱাৰ বাবে সকলোৰে সৈতে একেলগে কাম কৰিবলৈ চৰকাৰ আগ্ৰহী বুলি প্ৰকাশ কৰিছে। প্ৰথম অধিৱেশনৰ গুৰুত্বত আলোকপাত কৰি শ্ৰী ৰিজিজুৱে কয় যে, এই অধিৱেশনত নৱনিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণ, অধ্যক্ষৰ নিৰ্বাচন আৰু সংসদৰ দুয়োখন সদনত ৰাষ্ট্ৰপতিয়ে ভাষণ দিয়াৰ নিয়ম আছে।

সামাজিক মাধ্যমৰ এটা পোষ্টত মন্ত্ৰী ৰিজিজুৱে আশা প্ৰকাশ কৰে যে, সকলো নৱনিৰ্বাচিত সদস্যই ভাৰতীয় সংসদৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাষ্ট্ৰৰ সেৱা কৰিবলৈ সহায় কৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ৰাজ্যসভাৰ অধিৱেশনো ২৭ জুনত আৰম্ভ হ'ব। দুয়োখন সদনৰ অধিৱেশন ৩ জুলাইত সমাপ্ত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ল'বেল ছাউথ অৰ্থাৎ অনুন্নত ৰাষ্ট্ৰ বিশেষকৈ আফ্ৰিকাৰ সৈতে জড়িত বিষয়সমূহক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে। ইটালীৰ অপুলিয়াত অনুষ্ঠিত G-7 শীৰ্ষ সন্মিলনত  ভাষণ দি শ্ৰীমোদীয়ে কালি এইদৰে আহ্বান জনায়। তেওঁ কয় যে, ভাৰতৰ অধ্যক্ষতাত আফ্ৰিকীয় সংঘক G-20 ৰাষ্ট্ৰ গোষ্ঠীৰ স্থায়ী সদস্য পদ প্ৰদান কৰাটো দেশৰ বাবে গৌৰৱৰ কথা। শ্ৰীমোদীয়ে কয় যে, ভাৰতে ২০৭০ বৰ্ষলৈকে শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। ভাৰতৰ মিছন লাইফৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে তেওঁ আৰম্ভ কৰা প্লাণ্ট ফ'ৰ মাডাৰ অৰ্থাৎ এজোপা গছ মাৰ নামত শীৰ্ষক অভিযানত অংশগ্ৰহণ কৰিবলৈ গোলকীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে এই অভিযানক গণ আন্দোলণত পৰিণত কৰিবলৈও আহ্বান জনায়।

ভাৰতৰ কৃত্ৰিম বুদ্ধিমত্তা অভিযান সন্দৰ্ভত মতপ্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে, সকলোৰে প্ৰগতি আৰু কল্যাণ ত্বৰান্বিত কৰাই এই প্ৰযুক্তিৰ মূল লক্ষ্য হোৱা উচিত। তেওঁ কয় যে, ভাৰতে কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় জোঁটৰ প্ৰতিষ্ঠাপক সদস্য হিচাপে আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰসাৰৰ হকে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে G-7 ৰাষ্ট্ৰগোষ্ঠীক ইয়াৰ ৫০ সংখ্যক বাৰ্ষিকীৰ অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে, এই সন্মিলনত অংশগ্ৰহণ কৰাটো তেওঁৰ বাবে সন্তুষ্টিৰ বিষয়। শ্ৰীমোদীয়ে লগতে কয় যে, মানৱীয় দৃষ্টিভংগী আধাৰিত প্ৰযুক্তিহে সফল হয়। তেওঁ লগতে ৰাজহুৱা সেৱা প্ৰদানৰ বাবে ডিজিটীয় প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতৰ সফলতাৰ বিষয়ে আলোচনা কৰে। ইয়াৰ পূৰ্বে সন্মিলনৰ অধ্যক্ষ ৰাষ্ট্ৰ ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেলনিয়ে কয় যে, পশ্চিমীয়া দেশসমূহক বাকী অংশৰ পৰা পৃথক কৰিব খোজা ব্যাখ্যা কোনো কাৰণতে স্বীকাৰ্য নহয়। তেওঁ কয় যে, ৰাষ্ট্ৰসমূহৰ পাৰস্পৰিক সহযোগিতাৰেহে গোলকীয় প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'ব পৰা যায়। সন্মিলৰ আউত্ৰিছ সত্ৰ বৰ্তমান সময়ৰ আটাইতকৈ প্ৰাসংগিক প্ৰত্যাহ্বান  বিষয়ক আলোচনাৰ নামত উৎসৰ্গিত। ইয়াৰ ভিতৰত কৃত্ৰিম বুদ্ধিমত্তা, শক্তি, আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চলৰ সৈতে জড়িত বিভিন্ন বিষয় অন্যতম।

০০০০০০০

দিল্লী উচ্চ ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ পত্নী সুনীতা কেজৰিৱাল আৰু আন ৫জন লোকক তেওঁলোকে সামাজিক মাধ্যমত প্ৰকাশ কৰা আদালতৰ কাম-কাজৰ ভিডিঅ' আতৰাবলৈ নিৰ্দেশ দিছে। সামাজিক

মাধ্যমৰ এই ভিডিঅ'টোত অৰবিন্দ কেজৰিৱালে আবকাৰী নীতি কেলেংকাৰীত ই ডিয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত ২৮ মাৰ্চত ৰাউজ এভিনিউ আদালতত দিয়া বক্তব্য সন্নিৱিষ্ট হৈছিল। ন্যায়াধীশ নীনা বাঞ্চাল কৃষ্ণা আৰু ন্যায়াধীশ অমিত শৰ্মাৰ খণ্ডপীঠে সুনীতা কেজৰিৱাল আৰু অন্যান্যসকলৰ বিৰুদ্ধে ভিডিঅ' কনফাৰেন্সিং নীতি উলংঘা কৰাৰ অভিযোগেৰে দাখিল হোৱা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিলৈ এই জাননী জাৰি কৰে। আদালতে লগতে সেই নিৰ্দিষ্ট দিনটোত হোৱা ভিডিঅ' ৰেকৰ্ডিঙৰ পুনৰ প্ৰকাশ অথবা ইয়াৰ সৈতে জড়িত আন কোনো প'ষ্টৰ বাবে অনুমতি নিদিবলৈ সামাজিক মাধ্যমক নিৰ্দেশ দিছে। ন্যায়াধীশদ্বয়ে ৯ জুলাইত এই সন্দৰ্ভত পুনৰ শুনানি গ্ৰহণ কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ জুনত উদযাপন কৰিবলগীয়া ১০ম আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে আজি সামাজিক মাধ্যম এক্সত অৰ্ধচক্ৰাসনৰ ভিডিঅ' প'ষ্ট কৰিছে। ভিডিঅ'টো শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে হৃদযন্ত্ৰ ভালে ৰখা আৰু শৰীৰত তেজৰ চলাচল উন্নত কৰাৰ বাবে এই আসন অভ্যাস কৰিবলৈ সকলোকে আহ্বান জনায়। ভিডিঅ'টোত এই আসন কিদৰে কৰিব লাগে তাৰো বৰ্ণনা দিয়া হৈছে।

০০০০০০০

দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পূৰ্বে ভাৰতীয় উচ্চায়ুক্তৰ সাংস্কৃতিক শাখা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰই ১০ দিনীয়া যোগ মহোৎসৱৰ আয়োজন কৰিছে। শনিবাৰে ৰাতিপুৱা কলম্বো টাউন হলত **পৰিয়ালৰ বাবে যোগ** যোগ শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানটোত ভাৰতীয় সংস্থা সদগামায়া ফাউণ্ডেচন আৰু গংগাৰামায়া মন্দিৰেও সহযোগিতা আগবঢ়াইছিল। যোগ দিৱসৰ লগত সংগতি ৰাখি দেশখনত ২২ জুনলৈকে কেইবাটাও অনুষ্ঠান অনুষ্ঠিত হ'ব।

০০০০০০০

চাংলাং উত্তৰ সমষ্টিৰ বিধায়ক টেছম পংগতে আজি অৰুণাচল প্ৰদেশৰ অষ্টম বিধানসভাৰ অধ্যক্ষ হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। বিধানসভাৰ অধ্যক্ষ নিৰ্বাচনেৰে বিশেষ অধিৱেশন আৰম্ভ হয়। তদৰ্থ অধ্যক্ষ নিনং ইৰিঙে কোনো প্ৰতিদ্বন্দ্বিয়ে মনোনয়ন পত্ৰ দাখিল নকৰাৰ পৰিপ্ৰেক্ষিতত টেছম পংগতে বিনা প্ৰতিদ্বন্দ্বিতাৰে অধ্যক্ষ নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰে। অধ্যক্ষৰ আসন গ্ৰহণ কৰি শ্ৰী পংগতেই তেওঁক এই পদৰ বাবে নিৰ্বাচন কৰাৰ বাবে সদনক ধন্যবাদ জনায়। লগতে পদবীৰ মৰ্যাদা আৰু গণতান্ত্ৰিক পৰম্পৰা অক্ষুণ্ণ ৰাখি দায়িত্ব পালন কৰি যাব বুলিও তেওঁ প্ৰকাশ কৰে। সদনৰ প্ৰতিগৰাকী সদস্যক ন্যায় প্ৰদানৰ বাবে তেওঁ প্ৰতিশ্ৰুতিবদ্ধ বুলিও শ্ৰী পংগতে উল্লেখ কৰে। অধ্যক্ষ নিৰ্বাচিত হোৱাৰ বাবে শ্ৰী পংগতে মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে শুভেচ্ছা জনোৱাৰ লগতে অনাগত দিনত ৰাজ্য চৰকাৰে সকলো ধৰণৰ সাহায্য আগবঢ়াব বুলি প্ৰকাশ কৰে। লিকাবিলৰ বিধায়ক কাৰ্ডো য়িগয়'ৰ উপাধক্ষ্য হিচাপে নিৰ্বাচিত হয়।

০০০০০০০

অষ্টাদশ মুম্বাই আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজিৰে পৰা অনুষ্ঠিত হ'ব। মহানগৰখনৰ পেড্ডাৰ ৰোডত থকা ফিল্ম ডিভিজনৰ  চৌহদত বিয়লি ৪ বজাত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দেশৰ ভিন্ন প্ৰান্তৰ

দৰ্শকৰ কাষলৈ এই মহোৎসৱক লৈ যোৱাৰ উদ্দেশ্যে দিল্লী, কলকাতা, পুনে আৰু চেন্নাইত সমান্তৰালভাৱে চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। এই চাৰিখন মহানগৰতে ৰেড কাৰ্পেটৰো ব্যৱস্থা থাকিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি নেচনেল জিঅ'গ্ৰাফিকৰ তথ্যচিত্ৰ **বিল্লী এণ্ড মল্লি ঃ এন অ'টাৰ লাভষ্টৰী** এইবাৰৰ মহোৎসৱত প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱৰ উদ্বোধনী চিনেমাখন দিল্লী, কলকাতা, চেন্নাই আৰু পুনেতো প্ৰদৰ্শন কৰা হ'ব। প্ৰতিযোগিতা শিতানত অভিলেখ সংখ্যক এহেজাৰ ১৮ খন চিনেমাই প্ৰতিদ্বন্দ্বিতা কৰিব। আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতা শিতানত তিনিজনীয়া নিৰ্বাচন কমিটিয়ে ১১৮ খন চিনেমাক নিৰ্বাচন কৰিছে। এইবাৰৰ মহোৎসৱত ৫৯ খন দেশৰ ৬১টা ভাষাৰ ৩১৪ খন চিনেমা প্ৰদৰ্শিত হ'ব।

০০০০০০০

ভাৰতৰত এন শ্ৰীৰাম বালাজী আৰু জাৰ্মানীৰ আন্দ্ৰে বেগেমেনৰ যুটীয়ে ইটালীৰ পেৰুগিয়াত চলি থকা এটিপি চেলেঞ্জাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত-জাৰ্মানীৰ এই যুটীয়ে আজি সন্ধিয়া হ'বলগীয়া ফাইনেলত মেক্সিকোৰ মিগুৱেল এঞ্জেল ৰেয়েছ-ভাৰেলা আৰু আৰ্জেণ্টিনাৰ গুইড' আণ্ড্ৰেঅ'জ্জীৰ যুটীৰ বিৰুদ্ধে খেলিব। বালাজী আৰু বেগেমেনৰ যুটীয়ে কালি অনুষ্ঠিত ছেমিফাইনেলত ইটালীৰ ফ্ৰান্সেছক' মাষ্ট্ৰেল্লি আৰু ফেডেৰিক' ছিনাক ৬-৩, ৩-৬, ১০-৬ ছেটত পৰাস্ত কৰিছিল।

ইপিনে নিখিল ভাৰত টেনিছ সংস্থাই পেৰিছ অলিম্পিকত পুৰুষৰ ডাবলছত এন শ্ৰীৰাম বালাজীয়ে তাৰকা খেলুৱৈ ৰোহন বোপান্নাৰ সৈতে যুটী বান্ধি খেলিব বুলি ঘোষণা কৰিছে।

০০০০০০০

ভাৰত আজি ফ্লৰিডাত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে, আয়াৰলেণ্ডৰ বিৰুদ্ধে লৌডেৰহিলত হ'বলগীয়া খেলখন নেৰা নেপেৰা বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰাত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত স্থান লাভ কৰে। আমেৰিকাই এইবাৰ প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰিছে। ভাৰতৰ পাছত আমেৰিকা ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰা গ্ৰুপ-এৰ দ্বিতীয়টো দল ৰূপে পৰিগণিত হৈছে। ইফাল, পূৰ্বৰ চেম্পিয়ন পাকিস্তান আৰু আয়াৰলেণ্ড প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০০০০

**ঃ সমাপ্ত ঃ**